**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 05-11-2024 **Time :** 1800 Hrs.

***Assamese Evening Bulletin***

বিশ্ব বৰেণ্য শিল্পী ড° ভূপেন হাজৰিকাৰ ত্ৰয়োদশ মৃত্যুবাৰ্ষিকীৰ লগতে সংগতি ৰাখি ৰাজ্যজুৰি আজি বিভিন্ন দল-সংগঠনৰ উদ্যোগত বাৰেৰহনীয়া কাৰ্যসূচী ৰূপায়ণ কৰা হৈছে। ৰাজ্য চৰকাৰৰ সাংস্কৃতিক সঞ্চালকালয়ৰ উদ্যোগত গুৱাহাটীৰ জালুকবাৰীত থকা শিল্পীগৰাকীৰ সমাধিস্থলত বিশেষ অনুষ্ঠানৰ আয়োজন কৰা হৈছে। সমাধিস্থলত পুৱাৰে পৰা স্মৃতিচাৰণ সভা, সৰ্বধৰ্ম প্ৰাৰ্থনা, গীত-নৃত্যৰ অনুষ্ঠান আদি অনুষ্ঠিত হৈছে। পুৱাৰ বেলা বিত্ত, মহিলা আৰু শিশু কল্যাণ বিভাগৰ মন্ত্ৰী অজন্তা নেওগে আয়োজিত অনুষ্ঠানত অংশ লৈ শিল্পীগৰাকীৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰে। অনুষ্ঠানত সাংসদ বিজুলী কলিতা মেধি আৰু প্ৰাক্তন সাংসদ কুইন ওজা উপস্থিত থাকে। সভাত বিশিষ্ট লেখক, সাংবাদিক বিদ্যুৎ কুমাৰ ভূঞাই শিল্পীগৰাকীৰ জীৱন আৰু কৰ্মৰ বিষয়ে বক্তৃব্য আগবঢ়ায়। ইপিনে দীঘলীপুখুৰীৰ পাৰত থকা শিল্পীগৰাকীৰ প্ৰতিমূৰ্তিস্থলীতো সন্ধিয়া সদৌ অসম ছাত্ৰ সন্থাই ১০ হেজাৰ বন্তি প্ৰজ্বলন কৰি শিল্পীগৰাকীলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপনৰ ব্যৱস্থা কৰিছে।

**তেজপুৰ**ত অনুষ্ঠিত ভূপেন হাজৰিকাৰ মৃত্যুবাৰ্ষিকীৰ অনুষ্ঠানত বিধায়ক পৃথ্বীৰাজ ৰাভা আৰু জিলা আয়ুক্তকে ধৰি বহুকেইজন শিল্পী-সাহিত্যিকে অংশগ্ৰহণ কৰে। **কোকৰাঝাৰ**ত এই উপলক্ষে আয়োজিত অনুষ্ঠানত বিটিআৰ প্ৰধান প্ৰমোদ বড়োৱে শিল্পীগৰাকীৰ এটা পূৰ্ণাৱয়ব মূৰ্তি উন্মোচন কৰে। অনুষ্ঠানত শ্ৰী বড়োৰ লগত মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্ম, অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি কুলধৰ শইকীয়া, বড়ো সাহিত্য সভাৰ সভাপতি সুৰথ নাৰ্জাৰী আৰু বিধায়ক লৰেন্স ইছলাৰীও উপস্থিত থাকে। **গোলাঘাটত** স্মৃতি দিৱস উদযাপনৰ অনুষ্ঠানত জিলা ছাত্ৰ সন্থা আৰু ড০ ভূপেন হাজৰিকা স্মৃতি ৰক্ষা সমিতিৰ উদ্যোগত আউনীআটি সত্ৰৰ সত্ৰাধিকাৰ ড০ পীতাম্বৰ দেৱগোস্বামীক ড০ ভূপেন হাজৰিকা সংহতি বঁটা প্ৰদান কৰা হয়। তদুপৰি চিৰাং, তিনিচুকীয়া, মঙলদৈ আদি জিলাতো বিশ্ব বৰেণ্য শিল্পীগৰাকীক সুঁৱৰি আজি সাংস্কৃতিক অনুষ্ঠান, বন্তি প্ৰজ্বলন আদি বিভিন্ন অনুষ্ঠানৰ আয়োজন কৰাৰ বাতৰি আমালৈ আহি আহিছে।

০০০০০০০

ৰাজ্যৰ মুখ্য নিৰ্বাচনী বিষয়া অনুৰাগ গোৱেলে আজি নগাঁও জিলাত উপস্থিত হৈ চামগুৰি বিধানসভা সমষ্টিৰ আসন্ন উপ-নিৰ্বাচনৰ প্ৰস্তুতি সন্দৰ্ভত নিৰ্বাচনৰ বাবে গঠিত বিভিন্ন কোষৰ বিষয়াসকলৰ সৈতে এখন বৈঠকত মিলিত হয়। নিৰ্বাচন মুক্ত, নিকা আৰু শান্তিপূৰ্ণভাৱে সম্পন্ন কৰাৰ ক্ষেত্ৰত তেওঁ বিষয়াসকলক নিষ্ঠাসহকাৰে নিজৰ দায়িত্ব সম্পাদন কৰিবলৈ আহ্বান জনায়। নিৰ্বাচনী বিষয়াগৰাকীয়ে সভাত ই ভি এম কমিছনিং কৰাৰ লগতে ষ্ট্ৰং ৰুমো পৰিদৰ্শন কৰে।

০০০০০০০

অসমীয়া ভাষাই ধ্ৰুপদী ভাষা হিচাপে লাভ কৰা স্বীকৃতিক উদযাপন কৰাৰ উদ্দেশ্যে অসম চৰকাৰৰ উদ্যোগত ৰাজ্যৰ বিভিন্ন ঠাইত ৩ নৱেম্বৰৰ পৰা ৯ নৱেম্বৰলৈ ভাষা গৌৰৱ সপ্তাহ পালন কৰা হৈছে। এই উপলক্ষে গুৱাহাটীৰ ৰাধা গোবিন্দ বৰুৱা মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ উদ্যোগত আয়োজিত ভাষা গৌৰৱ সপ্তাহৰ কাৰ্যসূচীত আজি এলানি বক্তৃতানুষ্ঠান অনুষ্ঠিত হয়। উদ্বোধনী ভাষণত মহাবিদ্যালয়খনৰ অধ্যক্ষ ড০ প্ৰাণজিৎ কুমাৰ নাথে অসমীয়া ভাষাৰ গৌৰৱময় ঐতিহ্য আৰু ধ্ৰুপদী ভাষাৰ স্বীকৃতিৰ বিষদ আলোচনা আগবঢ়ায়। একেটা অনুষ্ঠানতে কেইবাগৰাকীও বিশিষ্ট ব্যক্তিয়ে বক্তৃতা প্ৰদান কৰে। ইপিনে তিনিচুকীয়া জিলাত ভাষা গৌৰৱ সপ্তাহ উপলক্ষে গ্ৰাম্য জীৱিকা অভিযানৰ উদ্যোগত গাঁৱে গাঁৱে সজাগতামূলক সভাৰ আয়োজন কৰে।

ভাষা গৌৰৱ সপ্তাহ উপলক্ষে আজি যোৰহাট জিলা কৃষি বিষয়াৰ কাৰ্যালয়ত বিভিন্ন কাৰ্যসূচী ৰূপায়ণ কৰা হয়। সভাত কাৰ্যালয়ৰ সকলো বিষয়া-কৰ্মচাৰীৰ উপস্থিতি জিলা কৃষি বিষয়াই অসমীয়া ভাষাৰ উৎপত্তি, অসমীয়া ভাষাত প্ৰকাশ পোৱা কাকত-আলোচনী আদিৰ ভূমিকাৰ বিষয়ে আলোকপাত কৰে।

০০০০০০০

চৰাইদেউ মৈদামস্থলীক বিশ্ব ঐতিহ্য ক্ষেত্ৰৰ তালিকাভুক্ত কৰাৰ ক্ষেত্ৰত গ্ৰহণ কৰা ভূমিকাৰ বাবে ভাৰতীয় পুৰাতত্ব জৰীপ বিভাগৰ প্ৰাক্তন সঞ্চালক প্ৰধান ড০ কে চি নৌৰীয়াললৈ টাই আহোম যুৱ পৰিষদে ২০২৪ বৰ্ষৰ মহাবীৰ লাচিত বঁটা আগবঢ়াইছে। আজি দিছপুৰ প্ৰেছক্লাবত আয়োজিত এখন সংবাদমেলত পৰিষদৰ নেতৃবৃন্দই এই কথা ঘোষণা কৰি কয় যে, চৰাইদেউ মৈদামস্থলীক বিশ্ব ঐতিহ্য ক্ষেত্ৰৰ তালিকাভুক্ত কৰা সমগ্ৰ প্ৰক্ৰিয়াত তত্বাৱধায়ক হিচাপে হাতপুথি প্ৰস্তুত কৰাকে ধৰি যাৱতীয় নীতি আৰু পৰিকল্পনা প্ৰস্তুত কৰি বাস্তৱায়িত কৰাৰ ক্ষেত্ৰত মুখ্য ভূমিকা পালন কৰাৰ বাবে ড০ নৌৰিয়ালক ২০২৪ বৰ্ষৰ মহাবীৰ লাচিত বঁটাৰ বাবে নিৰ্বাচিত কৰা হৈছে। অহা ২৪ নৱেম্বৰত গুৱাহাটীৰ পাঞ্জাবাৰীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত হ'বলগীয়া মহাবীৰ লাচিত দিৱসৰ অনুষ্ঠানত তেওঁক এখন হেংদাং, এযোৰ টাই আহোমৰ পৰম্পৰাগত সাজ-পোছাক, প্ৰশস্তিপত্ৰ, স্মাৰক সম্বলিত এই বঁটা প্ৰদান কৰা হ'ব।

০০০০০০০

অসম কৃষি বিশ্ববিদ্যালয়ৰ অন্তৰ্গত সামূহিক বিজ্ঞান মহাবিদ্যালয়ৰ খাদ্য, বিজ্ঞান আৰু পৰিপুষ্টি বিভাগৰ উদ্যোগত আজিৰে পৰা খাদ্য সমৃদ্ধিকৰণক বিষয়বস্তু হিচাপে লৈ এখন ৰাষ্ট্ৰীয় সন্মিলন আৰম্ভ হৈছে। অসম কৃষি বিশ্ববিদ্যালয়ত অনুষ্ঠিত দুদিনীয়া এই সন্মিলনৰ সুভাৰম্ভণি অনুষ্ঠানত মুখ্য অতিতি হিচাপে অংশগ্ৰহণ কৰি অসম কৃষি বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড০ বিদ্যুৎ চন্দন ডেকাই সু-স্বাস্থ্যৰ বাবে সমৃদ্ধ খাদ্যভাষৰ ওপৰত গুৰুত্ব আৰোপ কৰে। অনুষ্ঠানটোত ভাৰতৰ খাদ্য সুৰক্ষা আৰু মানদণ্ড কৰ্তৃপক্ষৰ কাৰ্যবাহী সঞ্চালক ঈনশ্বী শৰ্মাই ভাৰতত খাদ্য পৰিপুষ্টিৰ প্ৰেক্ষাপটত পুষ্টিহীনতা আৰু ইয়াৰ বাবে চৰকাৰে গ্ৰহণ কৰা কাৰ্যসূচীৰ বিষয়ে আলোকপাত কৰে।

০০০০০০০

যোৰহাট জিলা আয়ুক্তৰ কাৰ্যালয়ত আজি জিলা টাস্ক ফৰ্চ সমিতিৰ এখন সভা অনুষ্ঠিত হয়। অতিৰিক্ত জিলা আয়ুক্ত, সহকাৰী আয়ুক্ত, স্বাস্থ্য বিভাগৰ যুটীয়া সঞ্চালক তথা অন্যান্য বিষয়াসকলে অংশগ্ৰহণ কৰা সভাত অহা মাহৰ পৰা হ'বলগীয়া কুষ্ঠৰোগ চিনাক্তকৰণ আৰু অভিযান সন্দৰ্ভত আলোচনা কৰা হয়।

০০০০০০০

**সমাপ্ত**